Total number of pages : 8

**19E MASS**

# 2019

# ASSAMESE

(MODERN INDIAN LANGUAGE)

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No.* ***1*** *carries* ***1*** *mark each* | 1×8 = 8 |
| *Q. No.* ***2*** *carries* ***5*** *marks each* | 2×5 = 10 |
| *Q. No.* ***3*** *carries* ***4*** *marks each* | 4×4 = 16 |
| *Q. No.* ***4*** *carries* ***1*** *mark each* | 1×6 = 6 |
| *Q. No.* ***5*** *carries* ***2*** *mark each* | 1×2 = 2 |
| *Q. No.* ***6*** *carries* ***1*** *mark each* | 1×1 = 1 |
| *Q. No.* ***7*** *carries* ***4*** *marks each* | 4×1 = 4 |
| *Q. No.* ***8*** *carries* ***1*** *mark each* | 1×3 = 3 |
| *Q. No.* ***9*** *carries* ***2*** *marks each* | 2×4 = 8 |
| *Q. No.* ***10*** *carries* ***4*** *marks each* | 4×2 = 8 |
| *Q. No.* ***11*** *carries* ***6*** *marks each* | 1×6 = 6 |
| *Q. No.* ***12*** *carries* ***1*** *mark each* | 1×2 = 2 |
| *Q. No.* ***13*** *carries* ***2*** *marks each* | 1×2 = 2 |
| *Q. No.* ***14*** *carries* ***4*** *marks each* | 4×2 = 8 |
| *Q. No.* ***15*** *carries* ***6*** *marks each* | 1×6 = 6 |
| *Q. No.* ***16*** *carries* ***2*** *marks each* | 1×2 = 2 |
| *Q. No.* ***17*** *carries* ***4*** *marks each* | 1×4 = 4 |
| *Q. No.* ***18*** *carries* ***4*** *marks each* | 1×4 = 4 |
| | Total = 100 |

১।  উত্তৰ লিখাঁ ঃ  ১×৮=৮

(ক) সত্যনাথ বৰাৰ একমাত্ৰ গীতৰ পুথিখনৰ নাম কি?

(খ) পদ্মনাথ গোহাঞিবৰুৱাৰ আত্ম-জীৱনীখনৰ নাম লিখাঁ।

(গ) গৌৰৱ কেইঠাইৰ পৰা উৎপন্ন হয়?

(ঘ) বিদ্যাৰ অনুশীলন নহ'লে কি হয়?

(ঙ) ৰুছো কোন আছিল?

(চ) ড° হীৰেন গোহাঁইৰ গৱেষণা গ্ৰন্থখনৰ নাম লিখাঁ।

(ছ) 'বিহু আকৌ আহিল' গ্ৰন্থখন কোনে ৰচনা কৰা?

(জ) পৃথিৱীৰ সৰ্ব্বোচ্চ শৃংগ মাউন্ট এভাৰেষ্ট সমুদ্ৰপৃষ্ঠৰ পৰা কিমান ফুট উচ্চতাত অৱস্থিত?

২।  *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ  ২×৫=১০

(ক) কি দুটা কাৰণত মানুহে কৃপণালি কৰে?

(খ) 'অসমত মহাত্মা গান্ধীৰ পোন প্ৰথম পদাৰ্পণ' পাঠটোত উল্লেখ থকা দুগৰাকী স্বাধীনতা যোদ্ধাৰ নাম লিখাঁ।

(গ) সৌভাগ্যৰ পৰা গৌৰৱ কেনেকৈ ওপজে?

(ঘ) হেলেন কেলাৰৰ আত্মজীৱনীত থকা কি কথাই মানুহক কিতাপ অধ্যয়নৰ বাবে অনুপ্ৰাণিত কৰিছিল?

(ঙ) জন মিল্টন কোন শতিকাৰ কবি আছিল? তেওঁ ৰচনা কৰা বিখ্যাত মহাকাব্যখনৰ নাম কি?

(চ) ইউৰোপত মধ্যযুগত স্থাপন হোৱা *দুখন* বিশ্ববিদ্যালয়ৰ নাম লিখাঁ।

(ছ) ৰং ঘৰৰ বাকৰিত অনুষ্ঠিত হোৱা খেলসমূহৰ নাম লিখাঁ।

(জ) প্ৰথম অসমীয়া এভাৰেষ্ট আৰোহণকাৰী *দুজনৰ* নাম লিখাঁ।

৩। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ 　　৪×৪=১৬

(ক) "ধন সুখ ভোগৰ উপায় নহয়, স্বয়ং ধনেই সুখ" — কথাষাৰ ব্যাখ্যা কৰা।

(খ) গান্ধীজীৰ প্ৰথম অসম ভ্ৰমণ সম্পৰ্কে এটি টোকা লিখাঁ।

(গ) 'গৌৰৱ' প্ৰৱন্ধটোত প্ৰকৃত গৌৰৱৰ কাৰণ কি বুলি কোৱা হৈছে?

(ঘ) "অনাখৰী চহা লোকেও কিতাপৰ পৰা লাভ কৰিব পৰা জ্ঞানক অশ্ৰদ্ধা নেদেখুৱায়।" — কথাষাৰ বিশ্লেষণ কৰাঁ।

(ঙ) এডৱাৰ্ড গিবনৰ চমু পৰিচয় দিয়াঁ।

(চ) কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ কলেজবোৰ কোনে কিদৰে প্ৰতিষ্ঠা আৰু পৰিচালনা কৰে বুজাই লিখাঁ।

(ছ) আহোম যুগৰ আটাইতকৈ জনপ্ৰিয় খেলবিধ কি? এই খেল সম্পৰ্কে চমুকৈ লিখাঁ।

৪। *যিকোনো এজনৰ* বিষয়ে চমুকৈ লিখাঁ ঃ 　　৬

(ক) হোমেন বৰগোহাঞি

(খ) প্ৰফুল্ল দত্ত গোস্বামী

(গ) সত্যনাথ বৰা।

৫। *যিকোনো এটাৰ* উত্তৰ লিখাঁ ঃ ২

(ক) “আমাৰ দুজন একেলগে বিয়ালৈ যোৱাটো উচিত নহ’ব” — ‘আমাৰ দুজন’ বুলি ইয়াত কাৰ কাৰ কথা কোৱা হৈছে?

(খ) ‘বিয়াৰ প্ৰেজেন্ট’ গল্পটো প্ৰথমে কোনখন আলোচনীত প্ৰকাশ পাইছিল? গল্পটোত থকা অসুখ হোৱা ছোৱালীজনীৰ নাম কি?

৬। চৈয়দ আব্দুল মালিকে কোনখন উপন্যাসৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল? ১

৭। *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৪

(ক) ‘বিয়াৰ প্ৰেজেন্ট’ গল্পটোত মানৱতাবোধৰ প্ৰকাশ কিদৰে ঘটিছে চমুকৈ লিখাঁ।

(খ) কি পৰিস্থিতিৰ বাবে নাজিয়াই বিয়ালৈ বুলি ওলাই বিয়ালৈ নগ’ল?

৮। চমু উত্তৰ লিখাঁ ঃ ১×৩=৩

(ক) মাধৱ কন্দলি কোন যুগৰ কবি?

(খ) শংকৰদেৱৰ প্ৰথম বৰগীত কোনটো?

(গ) দেৱকান্ত বৰুৱাৰ কাব্যপুথিখনৰ নাম কি?

৯। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×৪=৮

(ক) নৈকেষী কোন? তেওঁ বিভীষণক ৰাৱণৰ ৰাজসভালৈ কিয় পঠাইছিল?

(খ) ‘শ্ৰুতমাত্ৰাখিলত্ৰাতা’ শব্দটোৰ অৰ্থ কি? ইয়াৰ দ্বাৰা কাৰ কথা কোৱা হৈছে?

(গ) লক্ষ্মীনাথ বেজবৰুৱা ৰচিত কবিতাপুথি *দুখনৰ* নাম লিখাঁ।

(ঘ) জোনাকী যুগৰ ত্ৰিমূৰ্তি বুলি কাক কাক বুজোৱা হয়?

(ঙ) ইব্ৰাহিম কোন আছিল? তেওঁ কি বীৰত্ব প্ৰদৰ্শন কৰিছিল?

(চ) নিঃশ্ৰেয়স আৰু মোক্ষ শব্দৰ অৰ্থ লিখাঁ।

(ছ) 'এখন চিঠি' কবিতাটোৰ কবি কোন? কবিগৰাকীৰ এখন কবিতা পুথিৰ নাম লিখাঁ।

১০। *যিকোনো দুছোৰা* ব্যাখ্যা কৰাঁ ঃ ৪×২=৮

(ক) ৰামৰ হাতত জানো মোৰ যাইব জীৱ।

তথাপি নিদিবো সীতা জনকৰ জীৱ।।

(খ) মৃত্যুয়ে যদি অভিনন্দন জনায়

সেই মৃত্যু পাৰিজাত ফুল

তাত দেৱতাৰ আশীৰ্বাদ আছে।

(গ) দেশৰ কাৰণে আজিও বিনায় হেজাৰ ডেকাৰ হিয়া,

দেশৰ সেনানী! আকৌ মাথোন এবাৰ হুকুম দিয়া।

(ঘ) আন্ধাৰ ৰাতিৰ সুযোগ লৈ

সমাজৰ চকুত ধূলি দিয়া

জীৱিকা সন্ধানী ভদ্ৰ-বনিতাৰ

চৰণাঘাত লভিছা কত!

১১। তলৰ *যিকোনো এটা* কবিতাৰ মূলভাৰ লিখাঁ ঃ ৬

(ক) বৰগীত ঃ জয় জয় যাদৱ

(খ) বনকুঁৱৰী

(গ) এখন চিঠি।

১২। চমু উত্তৰ লিখাঁ ঃ ১×২=২

(ক) ভাৰত ত্যাগ আন্দোলন কিমান চনত আৰম্ভ হৈছিল?

(খ) কুশল কোঁৱৰ কাৰ আজো নাতি?

১৩। *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২

(ক) "চাকৰি কৰিও জানো দেশৰ কাম কৰিব নোৱাৰি! — কথাষাৰ কোনে কাৰ আগত কৈছিল?

(খ) কুশল কোঁৱৰৰ পিতৃ আৰু মাতৃৰ নাম লিখাঁ।

১৪। *যিকোনো দুটাৰ* উত্তৰ লিখা ঃ ৪×২=৮

(ক) 'কুশল কোঁৱৰ' নাটকৰ 'প্ৰভাৱতী' কোন? তেওঁৰ চমু পৰিচয় দাঙি ধৰাঁ।

(খ) কুশল কোঁৱৰে স্কুল এৰাত দেউতাকৰ কিয় খং উঠিছিল বিৰৰি লিখাঁ।

(গ) কুশল কোঁৱৰক কিয় ফাঁচীৰ হুকুম দিয়া হৈছিল, চমুকৈ লিখাঁ।

১৫। *যিকোনো এটাৰ* চমু টোকা লিখাঁ ঃ ৬

(ক) উত্তম বৰুৱা

(খ) কুশল কোঁৱৰ নাটকৰ নাৰী চৰিত্ৰ।

১৬। অসমীয়া ভাষাত শব্দৰ আৰম্ভণিত ব্যৱহাৰ নোহোৱা *যিকোনো দুটা* বৰ্ণৰ উল্লেখ কৰাঁ। ২

*অথবা*

অ'ৰ ব্যৱহাৰৰ ফলত শব্দৰ অৰ্থভেদ হয়নে? এটা উদাহৰণ দিয়াঁ।

১৭। অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ ক'ত ক'ত নহয়, উদাহৰণসহ লিখাঁ। ৪

*অথবা*

তলত দিয়া ***চাৰিযোৰ*** সমোচ্চাৰণ শব্দৰ অৰ্থৰ পাৰ্থক্য দেখুওৱা ঃ

জান — যান

কথা — কঠা

অণু — অনু

আঁচল — আচল

ধুতি — ধূতি

দিন — দীন

শৰ — সৰ

পাণ — পান

১৮। ভাব সম্প্ৰসাৰণ কৰাঁ ঃ ৪

'এশ গৰু মাৰিলে বাঘৰো মৰণ'

*অথবা*

'ৰাইজে নখ জোকাৰিলে নৈ বয়'

—— × ——